SP-3199

সেউজ পত্ৰিকা
প্ৰকৃতি আৰু পৰিৱেশ বিষয়ক পত্ৰিকা
GREEN LETTER

31st ISSUE
Jan, 2014 :: Vol. 11th

A JOURNAL BOOK ON ENVIRONMENT & NATURE :: ISBN-978-81-922276-34
*Website : www.greenletter.hpage.com*

সোণাই ৰূপাই অভয়াৰণ্য সংখ্যা

## সম্পাদকীয়

# ঐতিহ্যমণ্ডিত সোণাই-ৰূপাইৰ সোণ-ৰূপ ক'ত হেৰাল !

সোণাই-ৰূপাই। শোণিতপুৰ জিলাৰ এই অভয়াৰণ্যখন আছিল এনে এক জৈৱবৈচিত্ৰ্যপূৰ্ণ অঞ্চল য'ত এদিন বিচৰণ কৰিছিল সোণালী দাঁতৰ হাতীয়ে। সোণালী দাঁত মানে ৰ'দত জিক্‌মিকাই উঠা ইষৎ হালধীয়া দাঁত। এনে হাতীৰ নাম আছিল সোণাই। আনহাতে শুভ্ৰ ৰঙৰ দাঁত থকা হাতীক বোলা হৈছিল ৰূপাই। সোণাই আৰু ৰূপাই আছিল সোণালী দাঁতৰ আৰু ৰূপালী দাঁতৰ এহাল হাতী। সেই হাতীয়ে ইয়াত বিচৰণ কৰিছিল বাবেই বাইজে অভয়াৰণ্যখনৰ নাম থৈছিল 'সোণাই-ৰূপাই অভয়াৰণ্য'। সোনাই-ৰূপাই অভয়াৰণ্যত কেৱল হাতীয়েই নাছিল - আছিল বাঘ, বান্দৰ, বন-গাহৰি, মেথোন, হৰিণ আদি। তাৰোপৰি ধনেশ, ময়ূৰকে ধৰি নানাবিধ পক্ষী। এসময়ত এনে বনৰীয়া জন্তুয়ে গিজগিজাই থকা এই সোণাই-ৰূপাই অভয়াৰণ্যখন আজি এনেদৰে বিপদাপন্ন হৈ পৰিছে যে ইয়াৰ অস্তিত্বই যেন নাথাকিবগৈ। নিৰন্তৰ ধ্বংসযজ্ঞ আৰু বেদখলৰ প্ৰকোপত অভয়াৰণ্যখনৰ দুই-তৃতীয়াংশ এলেকাই জনাঞ্চলত পৰিণত হ'ল। পৰিতাপৰ কথা এয়ে যে প্ৰশাসনৰ প্ৰত্যক্ষ সহযোগতে বনাঞ্চলখন নিঃশেষ হ'বলৈ ধৰিছে। এসময়ৰ ঘন জংঘলত এতিয়া মানুহৰ ঘৰ-দুৱাৰ, বিদ্যালয়। অৰণ্য সুৰক্ষা সমিতি-অসমে এই অভয়াৰণ্যখন ৰক্ষাৰ স্বাৰ্থত ১৯৯৮ চনৰে পৰা যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। সমিতিয়ে তদানীন্তন মুখ্য বন সংৰক্ষক খৰ্গ নাৰায়ণ গোস্বামী, বড়ো জাতীয় আন্দোলনৰ নেতা তথা মাজবাট সমষ্টিৰ প্ৰাক্তন বিধায়ক কৰেন্দ্ৰ বসুমতাৰী প্ৰমুখ্যে ভালেমান বিশিষ্ট নেতা তথা বিষয়াৰ উপস্থিতিত অভয়াৰণ্যখন সংৰক্ষণৰ সন্দৰ্ভত বিশাল জনসভাৰ আয়োজন কৰিছিল য'ত সমবেত হৈছিল হুগ্ৰাজুলি অঞ্চলৰ সহস্ৰাধিক লোক। সমিতিৰ কৰ্মকৰ্তা হিচাপে আমি আয়োজন কৰা এই সভাত **অভয়াৰণ্যখনৰ সুৰক্ষাৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'বলৈ প্ৰধান মুখ্য বনসংৰক্ষকক দাবী জনোৱা হৈছিল।** খৰ্গ নাৰায়ণ দেৱ গোস্বামী ডাঙৰীয়াই নিজে আমাৰ লগত সোণাই-ৰূপাই বনাঞ্চল পৰিদৰ্শন কৰিছিল। তাৎপৰ্য্যপূৰ্ণভাৱে ইয়াৰ পিছত একেলেথাৰিয়ে কেবাবাৰো সোণাই-ৰূপাই বনাঞ্চলত চলা বেদখল উচ্ছেদ

কৰা হৈছিল। অৰণ্য সুৰক্ষা সমিতিয়ে সেই সময়ত এইখিনি পদক্ষেপ নোলোৱাহেঁতেন হয়তো আজি সোণাই-ৰূপাইৰ এক তৃতীয়াংশখিনিও ন'ৰলহেঁতেন। নাই মোমাইতকৈ কণা মোমায়েই ভালৰ দৰে ২২০ বৰ্গ কিলোমিটাৰৰ ৯০ বৰ্গ কিলোমিটাৰ অংশৰ সোণাই-ৰূপাইখনকে আমি আজি অভয়াৰণ্যৰূপে ক'বলৈ বাধ্য হৈছো। চৰকাৰী বনবিভাগে অৱশ্যে বছৰি ইয়ালৈ পৰ্যটকক মাতিয়েই আছে, ইন্টাৰনেট যোগে বিজ্ঞাপন দি। পিছে সোণাই-ৰূপাই চাবলৈ আজি আৰু পৰ্যটক নাহে, আহে 'বিপ্লৱী'হে - বেদখলকাৰীসকলক মাটিৰ পট্টা দিয়াৰ দাবী তুলি আন্দোলন কৰিবলৈ! কি নাভূত নাশ্ৰুত কথা যে ৰাষ্ট্ৰীয় আইন, আন্তঃৰাষ্ট্ৰীয় আইনৰ আধাৰত ঘোষিত এখন অভয়াৰণ্যত বেদখল কৰা লোকক সুশিক্ষিত, কৃতবিজ্ঞ এচাম নেতাই ভূমি পট্টন দিয়াৰ দাবী কৰে। এওঁলোকৰ বাৰু সঁচাকৈয়ে কিবা জাতীয় দায়িত্ব আছেনে? ২০০৬ চনত যেতিয়া খৰাঙত, সোনাই-ৰূপাইৰ কাষৰীয়া কৃষকসকলে পানীৰ অভাৱত এগছিও ধান ৰুব পৰা নাছিল, তেওঁলোক বাৰু তেতিয়া ক'ত আছিল? সোণাই-ৰূপাই অভয়াৰণ্যৰ মাজেদি বৈ অহা উপনৈ আৰু জুৰিবোৰে কাষৰীয়া গাঁৱৰ ৰাইজৰ বাবে জলসিঞ্চন, মাছ-পুঠি আদিৰ উৎস। কিন্তু বনাঞ্চলখন ধ্বংস হোৱাৰ পিছৰে পৰা অঞ্চলটোৰ মাজেদি বৈ অহা নৈ-জানবোৰ শুকাই গৈছে। একোখন ঠাইৰ কৃষি ব্যৱস্থাত একোখন বনাঞ্চলৰ কিমান গভীৰ প্ৰভাৱ থাকে সেই কথা এইসকল লোকে অনুধাৱন কৰিব নোৱাৰাটো পৰিতাপৰ কথা। দুখৰ বিষয় এইটোৱেই যে এচাম লোকে বনাঞ্চল বেদখলৰ কথাটোক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিতভাৱে লৈছে আৰু ইয়াৰ দ্বাৰা জনসমৰ্থনৰ অংকৰে নিজা নিজা সংগঠন বা দলৰ ভোটাৰ গঢ়াৰ মানসিকতাৰে কাম কৰিছে। তেওঁলোকৰ চকুত মানুহৰ মূৰৰ গণনা হিচাপটোহে মুখ্য; মানুহৰ মৌলিক সমস্যাৰ কথা গৌণ। মানুহৰ মৌলিক সমস্যা যে পৰিৱেশজনিত সমস্যা, বতৰৰৰ সমস্যা, গোলকীয় উষ্ণতাৰ সমস্যা, খহনীয়াৰ সমস্যা, প্ৰদূষণৰ সমস্যা, প্ৰাকৃতিক ভাৰসাম্যহীনতাৰ সমস্যা — এইবোৰ তেওঁলোকৰ দৃষ্টিত একোৱেই নাহে। যদি সেয়া হ'লহেঁতেন এখন অভয়াৰণ্যৰ বেদখলকাৰীকো ভূমিপট্টন দিয়াৰ দাবী নুঠিলেহেঁতেন। আজি অসমৰ এনে এখন বনাঞ্চল নাই য'ত বেদখল নাই। বেদখলকাৰীক ভূমিপট্টন দিব লাগিলে অসমৰ প্ৰতিখন অৰণ্যকে এদিন মানুহৰ হাতত তুলি দিব লাগিব। যদি সেয়ে হয়, তেনেহ'লে অসমত বনাঞ্চল বুলিবলৈ আৰু এচিকটাও মাটি নাথাকিব। বৰ্তমান অসমৰ সৰ্বত্ৰ সেই অৱস্থাই বিৰাজ কৰিছে। আজি সোণাই-ৰূপাই অভয়াৰণ্যৰ যি এক তৃতীয়াংশ বৰ্তি আছে, বনাঞ্চলত ভূমিপট্টন হ'লে সেইখিনিও বেদখলীকৃত হ'ব। আমি যদি অদূৰ ভৱিষ্যতে দেশখনৰ এনে এক পৰিৱেশ হোৱাটোৱেই কামনা কৰোঁ তেনেহ'লে পৃথিৱীত সভ্য সমাজ হিচাপে আমাৰ কেনো স্থানেই নাথাকিব — আমি বিশ্বৰ চকুত পৰিগণিত হ'ম বৰ্বৰ, স্বাৰ্থপৰ, পৰিৱেশ-প্ৰকৃতি ধ্বংসী জাতি ৰূপে। আমাৰ ভৱিষ্যত বংশধৰসকলৰ বাবে আমি কি এনে এক পৰিচয় গঢ়ি যোৱা উচিত?

**'সেউজ পত্ৰিকা'ৰ যোৱা সংখ্যাটোৰ (অক্টো, ২০১৩) বাবে** পৃষ্ঠপোষকতা আগবঢ়োৱা বিলাসীপাৰা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাক আন্তৰিক কৃতজ্ঞতা জনালোঁ। *–মুখ্য সম্পাদক - সেউজ পত্ৰিকা*

# সোণাই-ৰূপাই এতিয়া এটি হুমুনিয়াহ মাথোন !

*দিলীপ নাথ*

জৈৱ বৈচিত্ৰ্যৰে ভৰপুৰ কোনো অঞ্চল বা অৰণ্য এখন ধ্বংস কৰোঁতে বৰ বেছি পৰ নালাগে। কিন্তু তেনে এখন অৰণ্যৰ নৱ-নিৰ্ম্মাণ বা ক্ৰমবিকাশৰ বাবে লাগে শ বছৰৰো অধিক সময়। তাতোকৈ দুখৰ কথা পৃথিৱীৰ বুকুৰ পৰা নিশ্চিহ্ন হৈ পৰা কোনো প্ৰজাতিক দুনাই ঘূৰাই পাব নোৱাৰি। শোণিতপুৰ জিলাৰ উত্তৰে অৰুণাচল প্ৰদেশৰ একাংশ চুই যোৱা সোণাই-ৰূপাই অভয়াৰণ্যখনৰো বৰ্ত্তমান অৱস্থা শোচনীয়। ২২০ বৰ্গ কিলোমিটাৰ ব্যপ্ত অভয়াৰণ্যখন কমদিনৰ ভিতৰতে মানুহ নামৰ সভ্য জীৱৰ গ্ৰাসত তছনছ হৈ পৰিল। বিধিমতে ঘোষিত অভয়াৰণ্যৰ ঠাইত মানুহৰ গাওঁ, বজাৰ, চিনেমা ঘৰ, বিদ্যালয় গঢ়ি উঠিল।

সোণাই-ৰূপাই অভয়াৰণ্য নামাকৰণৰ পূৰ্ব্বে এই অটব্য অৰণ্যৰ নাম চাৰিদুৱাৰ বনাঞ্চল, ঠাইভেদে হুগ্ৰাজুলি বনাঞ্চল বুলি জনাজাত আছিল। এই বনাঞ্চল ঘাইকৈ শাল, বনচোম, তিতাচপা আদি গছৰ বাবেই গুৰুত্বপূৰ্ণ আছিল। বন্যজন্তুৰ ভিতৰত হাতী, নলগাহৰি, ঢেকীয়া পতীয়া বাঘ, শৰপহু, কেটেলা পহু, বনকুকুৰা আদিৰে পৰিপূৰ্ণ অভয়াৰণ্যখনত এক বিশেষ প্ৰজাতিৰ হাতী দেখা পোৱা গৈছিল। দাঁতিকাষৰীয়া ৰাইজে দেখা পোৱা একমাত্ৰ সোণালী দাঁতৰ হাতীটো গভীৰ অৰণ্যত বিচৰণ নকৰি মানুহৰ গাওঁসমূহৰ আশেপাশেই বসবাস কৰিছিল। বেছি চাপৰো নহয় বেছি ওখও নাছিল এই সোণালী দাঁতৰ হাতীটো। ৰ'দৰ পোহৰত কিম্বা ৰাতি টৰ্চৰ পোহৰত সোণৰ দৰেই চিকমিকাই উঠিছিল তাৰ দাঁত। ২০০২-০৩ চনৰ পৰাই যেতিয়া অবৈধভাৱে বেদখলকাৰীয়ে অৰণ্য চূড়মাৰ কৰি মাটি দখল কৰিব লাগিল, তেতিয়াৰে পৰা সোণালী দাঁতৰ হাতীৰ কথা বাদেই, অন্যান্য হাতী, বাঘ-ঘোং, মেথোন, শৰ ইত্যাদিৰো থকা ঠাইৰ অভাৱ ঘটিল। জাক জাক হাতী অৰণ্য এৰি মানুহৰ মাজলৈ ওলাই আহিল। যাৰ পৰিণতিত 'হাতী মানুহৰ সংঘাত'। সোণাই-ৰূপাই অভয়াৰণ্যত বসবাস কৰা হাতীবোৰ নোদোকা আৰু ওখ-পাখ আছিল। হুগ্ৰাজুলি ৰেল'ৱে ষ্টেচনৰ পৰা দুই কিলোমিটাৰ নিলগৰ মাধৱপুৰ এখন বনগাওঁ। এই বনগাৱঁৰ একমাত্ৰ প্ৰাথমিক বিদ্যালয়ৰ চৌহদৰ পৰাই আৰম্ভ হৈছিল সোণাই-ৰূপাই অভয়াৰণ্য। ১৫ বছৰ আগেয়ে প্ৰাথমিক বিদ্যালয়খনত কাম কৰা প্ৰধান শিক্ষক দেহীৰাম নাথে বৰ্ণনা কৰা অনুসৰি তেওঁ বিদ্যালয়ৰ নিচেই কাষতে থকা ইকৰা আৰু খেৰেৰে নিৰ্ম্মাণ কৰা বাসগৃহত বসবাস কৰিছিল। নিজাববীয়াকৈ ছাগলীপুহিছিল বাবে ছাগলীৰ গড়াল এটাও আছিল। পুৱাই গড়াঁল খুলি এৰি দিয়া ছাগলী সন্ধ্যা নমাৰ আগতেই গড়াঁল পাইছিল। শিক্ষকজনে মন গ'লে গড়াঁলৰ দুৱাৰ বন্ধ কৰিছিল, কেতিয়াবা খোলাতেই আছিল। তেওঁ বহুবাৰ প্ৰত্যক্ষ কৰিছে, সন্ধ্যা উভতি অহা ছাগলীজাকৰ সৈতে সৰু জাতৰ পহু আহি গড়ালতে থাকে। পুৱা গড়ালৰ পৰা ওলাই পুনৰ অৰণ্যলৈ দৌৰে। শিক্ষকগৰাকীৰ আন এক স্মৰণীয় ঘটনা আছিল - এবাৰ পৰীক্ষা চলি থকা কালত বুঢ়া হাতী এটা আহি বিদ্যালয় চৌহদ পালেহি। দেহীৰাম

নাথে ছাত্ৰ-ছাত্ৰীক হৈ-হাল্লা নকৰিবলৈ ইংগিত দি নিজে বিদ্যালয়ৰ ঘন্টাটো লৈ ঢং ঢং কৈ বজোৱাত লাগিল। বুঢ়া হাতীটোৱে ভয় খাই একফাৰ্লংমান দৌৰি পলাল। মানুহৰ পৰা হাত সাৰিবলৈ সি সৰু খাৰৈ এটাতে পেট পেলাই বহি লুকাব ধৰিলে। বুঢ়া হাতীৰ তেনে কাণ্ড-কাৰখানাই আটাইকে আমোদ দিলে। এনে বহুত ৰসাল কাহিনীও অভিজ্ঞতাৰে চিৰস্মৰণীয় হৈ আছে সোণাই-ৰূপাই। এই চাম ব্যক্তিৰ চকুৰ আগতেই সোণাই-ৰূপাই অভয়াৰণ্য নিঃশেষ হোৱাত তেওঁলোকে বুকুত লৈ ফুৰিছে একো একোটা বিষ। মানুহ ইমান নিষ্ঠুৰ হ'ব পাৰেনে —?

এটা সময় আছিল — বনবিভাগত কৰ্মৰত বিষয়া-কৰ্মচাৰীৰ তৎপৰতা আছিল চকুত পৰা বিধৰ। অভয়াৰণ্যত সৰ্বসাধাৰণে অতি সন্তৰ্পণে প্ৰৱেশ কৰিছিল। হাতত মাথোঁ এডাল এচাৰি লৈ ঘূৰি ফুৰা বনবিভাগৰ কৰ্মচাৰীলৈ সৰ্বসাধাৰণে অতিপাত ভয় কৰিছিল। তেনে এক সুৰক্ষিত বনাঞ্চল অতি কম দিনৰ ভিতৰতে ধ্বংসস্তুপত পৰিণত হোৱা দৃশ্য সঁচাকৈয়ে বেদনাদায়ক। সোণাই-ৰূপাই অভয়াৰণ্য সুৰক্ষাত ব্যৰ্থত বনবিভাগ তথা চৰকাৰৰ লগত অনেক সংগ্ৰাম কৰিব লগা হৈছে যদিও কাৰ্যতঃ এনে সংগ্ৰামৰ সুফল পোৱা নগ'ল। শাল, বনচোম, তিতাচপা, হলখ আদি মূল্যৱান সম্পদ সমূলি নাইকীয়া হৈ গ'ল। এসময়ত গিজগিজাই থকা বন্যজন্তুৰ অস্তিত্ব বিপন্ন হৈ পৰিল। এথচ বনবিভাগ, অসমে কেন্দ্ৰীয় চৰকাৰৰ পৰা সোণাই-ৰূপাই অভয়াৰণ্য উন্নয়নৰ নামত কোটি-কোটি টকা সৰকাই আছে। স্মৰ্তব্য যে ২২০ বৰ্গকিলোমিটাৰৰ ঠাইত বৰ্তমান সোণাই-ৰূপাইৰ ৯০ বৰ্গকিলোমিটাৰ এলেকাতহে ৰৈছেগৈ। এই অভয়াৰণ্যৰ মাজত থকা জিঙাবিল আই বি, চপাই আই বিৰ ঐতিহ্য আজি সাধু কথা হ'ল।

ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হ'ল সোণাই-ৰূপাই।

১৯৯৮ চনত ৰাজ্যপালে জাৰি কৰা অধিসূচনা অনুসৰি ঢেকীয়াজুলি ৰাজহ চক্ৰৰ অধীনৰ, পশ্চিম শোণিতপুৰ বনসংমণ্ডলৰ দ্বাৰা পৰিচালিত ঢেকীয়াজুলি আৰু মিছামাৰী জুৰি বিয়পি থকা গভীৰ অৰণ্যৰ নামাকৰণ সোণাই-ৰূপাই অভয়াৰণ্য হিচাপে কৰা হয়। নামাকৰণ বৰ্ষৰ পিছৰে পৰাই অৰ্থৎ ১৯৯৯ চনৰ পৰাই ছেগোচেৰোকাকৈ বেদখল আৰম্ভ হৈছিল যদিও বনবিভাগে এনে দুষ্কৃতিকাৰীক ছত্ৰভংগ দিবলৈ কিছু সমৰ্থ হৈছিল; কিন্তু বেদখল নামৰ ভয়াবহ বেমাৰটোক নিপাত কৰিব পৰা নাছিল। ১৯৯৯ চনৰ পৰা ২০০২ চনৰ ছেপ্তেম্বৰ মাহলৈ বনবিভাগে ১১ বাৰ উচ্ছেদ অভিযান চলাইছিল। অভিযান সামৰি বিষয়া-কৰ্মচাৰী ঘৰ আহি নৌপাওঁতেই পুনৰ বেদখল প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অসম চৰকাৰ বন বিভাগৰ তথ্য অনুসৰি সেই সময়ত উদ্ভৱ হোৱা সামাজিক অস্থিৰতাৰ বাবে এচামে বনধ্বংস কৰি বেদখল প্ৰক্ৰিয়া চলাইছে। দ্বিতীয়তে সচেতন মহলৰ বাবে আলোচ্য বিষয় আছিল — বেদখলকাৰী বা চোৰাং কাঠৰ ব্যৱসায়ীক বনবিভাগে গ্ৰেপ্তাৰ কৰি অনাৰ পিছ মূহুৰ্ততে বাঘা বাঘা ৰাজনৈতিক নেতাৰ 'মেছেজ' আহিব ধৰে। 'এৰি দিয়ক সেয়া আমাৰ মানুহ।' তৃতীয়তে বেদখলকাৰীৰ ভিতৰত নিজকে ভূমিপুত্ৰ বুলি দাবী কৰা এচাম আছে যি ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈ অনিচ্ছা স্বত্বেও বন ধ্বংস কৰি বসতি স্থাপন কৰিছেহি। তেওঁলোকৰ উদ্দেশ্য জনসংখ্যাৰ শতকৰা হাৰ বৃদ্ধি ও উক্ত এলেকাত নিজৰ প্ৰতিপত্তি জাহিৰ কৰি ৰাজনৈতিক মুনাফা আদায় কৰা। বৰ্ত্তমান সোণাই-ৰূপাই অভয়াৰণ্য ধ্বংস কৰি বসবাস কৰা

বেদখলকাৰীৰ সংখ্যা দুই লাখৰো অধিক। এইসকল বেদখলকাৰীৰ নাম ভোটাৰ তালিকাত সন্নিৱিষ্ট কৰি চৰকাৰে বন ধ্বংস কৰা দুষ্কৃতিকাৰীকউৎসাহিত কৰি আহিছে। সোণাই-ৰূপাই অভয়াৰণ্যৰ ভিতৰত অসম সৰ্বশিক্ষা অভিযানে ৩৮খন প্ৰাথমিক বিদ্যালয় নিৰ্মাণ কৰিছে। সমবায় বিভাগে সুলভ মূল্যৰ দোকানৰ পাৰ্মিট দিছে। জনস্বাস্থ্য কাৰিকৰী বিভাগে পানী যোগান ব্যৱস্থা নিৰ্মাণ কৰিছে। মুঠতে বনবিভাগৰ নীতি-নিৰ্দ্দেশনাক ভেঙুচালি কৰি অসম চৰকাৰে ৰাজনৈতিক মুনাফাৰ বাবেই বেদখলকাৰীক পোহপাল দি আছে। কোনো এটা বিভাগেই বনবিভাগৰ নীতি-নিৰ্দ্দেশনা মানি চলা নাই। সচেতন ব্যক্তিয়ে আদালতৰ জৰিয়তে এনে দুষ্কাৰ্য্য বন্ধ কৰিবলৈ কৰা প্ৰয়াসৰ পিছত চৰকাৰী বিভাগৰ এনে কথাৰ গোমৰ ফাঁক হৈছে। নিৰ্বাচনী আয়োগে ২৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ অনুমতি কি যুক্তিত দিব পাৰিলে সেই বিষয়ে সদুত্তৰ অসম নিৰ্বাচনী আয়োগ, শোণিতপুৰ জিলা উপায়ুক্ত কাৰ্য্যালয়ে সঠিক ভাৱে দাঙি ধৰিব পৰা নাই। বনবিভাগৰ হাততো নাই প্ৰকৃত তথ্য। এনেদৰেই এফালৰ পৰা অৰণ্য-অভয়াৰণ্য নিঃশেষ হ'ব ধৰিছে। এনে ধ্বংসযজ্ঞৰ আঁৰত ৰাজনৈতিক প্ৰভাৱ স্পষ্ট।

*[ লেখক দিলীপনাথ ঢুগ্ৰাজুলিৰ (শোণিতপুৰ) বসিন্দা। পেছাত তেওঁ এগৰাকী সংবাদিক। ভ্ৰাম্যভাষ - ৯৮৬৪৪০৭৪৪৮ ]*

# অৰণ্য আৰু আমি

*বিশ্বজিৎ গোস্বামী*

পৃথিৱীখন বৈচিত্ৰ্যময় আৰু সুন্দৰ। ই অতি সন্তুলিতও। ইয়াৰ প্ৰতিটো উপাদানকেই প্ৰকৃতিয়ে সঠিক পৰিমাণত সঠিক ঠাইত স্থাপন কৰিছে। ক্ষুদ্ৰাতি ক্ষুদ্ৰ বীজাণু/জীৱাণুসমূহৰ পৰা আৰম্ভ কৰি বৃহদাকাৰৰ প্ৰাণী বা উদ্ভিদলৈকে সকলোৰে এক নিৰ্দ্দিষ্ট ভূমিকা আছে - প্ৰকৃতিলৈ। ইয়াৰ বায়ু, পানী, মাটি আদি সকলো সঠিক পৰিমাণতেই আছে। কিবা অলপ কম-বেছি হ'লেও প্ৰকৃতিয়ে তাক নিজে নিজে ঠিক কৰি লোৱাৰ ব্যৱস্থাও ৰাখিছে। উদাহৰণস্বৰূপে — উদ্ভিদে খাদ্য প্ৰস্তুত কৰে কাৰ্বন-ডাই-অক্সাইডৰ সহায়ত আৰু উদ্ভিদে নিজে তথা আন সকলো প্ৰাণীয়ে ইয়াক খাই শক্তি আহৰণ কৰি বায়ুমণ্ডললৈ কাৰ্বন-ডাই-অক্সাইড গেছ এৰি দিয়ে। পিছে সঞ্চিতৰূপে ৰৈ যোৱা খাদ্য নাইবা প্ৰাকৃতিক দুৰ্যোগৰ ফলত মাটিৰ তললৈ সোমাই যোৱা উদ্ভিদ আদিৰ ফলত বায়ুমণ্ডলত হ'ব পৰা কাৰ্বন-ডাই-অক্সাইড গেছৰ ঘাটিক পূৰণ কৰিবলৈ বনজুই, আগ্নেয়গিৰি আদিৰ ব্যৱস্থাও প্ৰকৃতিয়ে কৰি থৈ গৈছে। আমি মানুহবোৰে ব্যক্তিগত স্বাৰ্থতে হওক বা আন কাৰণতেই হওক — এনেধৰণে প্ৰকৃতিয়ে নিজৰ সন্তুলন নষ্ট নোহোৱাৰ ব্যৱস্থা নিজেই কৰি থৈছে বুলি পাহৰি যোৱাৰ বাবেই আজি পৰিৱেশৰ দ্ৰুত অৱনমন ঘটিছে। অৰণ্যও ইয়াৰ ব্যতিক্ৰম নহয়।

অৰণ্য আৰু ইয়াৰ সদস্যসমূহে উমৈহতীয়া তথা গাইগুটীয়াভাৱে পৰিৱেশৰ প্ৰতি পালন কৰি অহা ভূমিকাৰ কথা কৈ অন্ত কৰিব নোৱাৰি বুলিয়েই ক'ব পাৰি। তথাপি এক চমু আভাস দিয়াৰ প্ৰচেষ্টা কৰা হ'ল।

আজি পুৱাৰ জলপান খালেনে? ৰাতিপুৱাই বাতৰি কাকতখন পঢ়িছেনে? গাড়ী-মটৰত উঠি

কৰবালৈ গৈছেনে? টকা আদান-প্ৰদান কৰিছেনে? প্ৰায় প্ৰতিজন ব্যক্তিৰ বাবেই এই প্ৰশ্নসমূহৰ প্ৰতিটোৰে উত্তৰ হয় বুলিয়ে ধৰি ল'ব পৰা যায়। উপৰিউক্ত সকলোবোৰ কাৰ্য্যৰ লগতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে উদ্ভিদ অৰ্থাৎ বন জড়িত হৈ আছে। অৰণ্য আৰু মানুহৰ সম্বন্ধ অতি প্ৰাচীন। পৃথিৱীখনত মানুহৰ আবিৰ্ভাৱৰ দিনাৰ পৰাই খাদ্য, বাসস্থান আদি সকলো ধৰণৰ প্ৰয়োজন তথা সুৰক্ষাৰ বাবেই অৰণ্য ব্যৱহৃত হৈ আহিছে। অৰণ্যৰ প্ৰয়োজনীয়তাক সহজভাৱে দুটা দিশৰ পৰা চাব পৰা যায়। (ক) অৰ্থনৈতিক দিশৰ পৰা আৰু (খ) সুৰক্ষা আৰু সামাজিক দিশৰ পৰা।

অৰ্থনৈতিক দিশৰ পৰা অৰণ্যৰ প্ৰয়োজনীয়তা অসীম। আমি অৰণ্যক সম্পদৰ এক বৃহৎ আৰু অফুৰন্ত ভঁড়াল বুলি ক'ব পাৰোঁ। অৱশ্যে অফুৰন্ত শব্দটি ব্যৱহাৰ কৰোঁতে অৰণ্যক সমুচিতভাৱে ব্যৱহাৰ কৰাৰ কথাটিও অন্তৰ্নিহিত হৈ আছে। আমাৰ খাদ্য, বাসস্থান, বস্ত্ৰ, ঔষধ, আদি ক'ত কি যে অৰণ্যৰ লগত পোনপটীয়াকৈ জড়িত হৈ আছে তাৰ লেখ নাই। আনহাতে সুৰক্ষা আৰু সামাজিক দিশৰ পৰা অৰণ্যৰ প্ৰয়োজন বিচাৰ কৰিলে মূলতঃ — বায়ুমণ্ডলক পৰিষ্কাৰ কৰা, জলচক্ৰত ইয়াৰ ভূমিকা, পানী ধৰি ৰখাৰ দ্বাৰা মাটি জীপাল কৰি ৰখা, ধুমুহা-বতাহ আদিক বাধা প্ৰদান কৰি আমাক সুৰক্ষিত কৰা, ভূমিক্ষয় ৰোধ কৰা, ভূমিস্খলন ৰোধ কৰা, মনোৰঞ্জনৰ ঠাই, সংস্কৃতিৰ আধাৰ আদি বিভিন্ন কাৰ্য্যৰ নাম ল'ব পাৰি।

এই বিশাল কাৰ্য্যভাৰ অৰণ্যৰ ওপৰত জাপি দিব পৰা গৈছে ইয়াৰ জৈৱ-বৈচিত্ৰ্যতাৰ বাবেই। অৰণ্য এখন হ'ল জৈৱ-বৈচিত্ৰ্যৰে ভৰপুৰ ঠাই। ইয়াত বিভিন্ন ধৰণৰ পৰিস্থিতিতন্ত্ৰও পোৱা যায়। প্ৰতিটোৱে নিজ নিজ স্বকীয়তাৰে মহীয়ান। প্ৰতিটোৱে নিজ ভূমিকাৰ দ্বাৰা মানৱ সমাজক লাভৱান কৰি আহিছে। পিছে আজি বহুদিনৰ পৰাই আমি অৰণ্যক কেৱল অৰ্থনৈতিক দিশৰ পৰাহে চাব ধৰিছোঁ। ই যেন আমাৰ ব্যৱহাৰৰ বাবে ৰাখি থোৱা সম্পদৰ এক ভঁড়ালহে মাথোন। যাৰ যেতিয়াই মন যায় - যেতিয়াই প্ৰয়োজন হয় তেতিয়াই গৈ অৰণ্যৰ পৰা কাঠ, খৰি গছ-পাত আদি সংগ্ৰহ কৰি আনিলেই হ'ল; এনে কৰোঁতে যদি অৰণ্য সমূলি ধ্বংস হৈ গ'লেও মুঠেই কেৰেপ নকৰোঁ। আমাৰ বহুতেই আকৌ অৰণ্যক এক কাহানিও শেষ হ'ব নোৱাৰা সম্পদ বুলিহে ধৰি লৈছে। পুনৰনৱীকৰণযোগ্য সম্পদ ব্যৱহাৰ কৰোঁতে ল'ব লগীয়া সাৱধানতাৰ নুন্যতমখিনিও এই ক্ষেত্ৰত প্ৰয়োগ নকৰোঁ। ভূতৰ ওপৰত দানহ পৰাৰ দৰে, তাৰ লগতে ইয়াক আমাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰা এক বৃহৎ শত্ৰু বুলিও গণ্য কৰিবলৈ লৈছোঁ। আমি খেতি কৰি উপাৰ্জন কৰা মাটিখিনিৰ বাবে অৰণ্যই যেন আমাৰ লগত এক অঘোষিত প্ৰতিদ্বন্দ্বিতাতহে নামি পৰিছে। এই ধাৰণাৰ বশৱতী হৈ আমি প্ৰতিদিনে শ' শ' বিঘা মাটি অৰণ্যৰ পৰা কাঢ়ি আনি আত্মতুষ্টি লভিছোঁ। বহনক্ষম উন্নয়ন বোলা কথাষাৰ তেওঁলোকৰ বাবে যেন কিতাপৰ এক অলংকাৰহে। সভ্য জীৱৰূপে স্বঘোষিত মানৱকুলৰ এই সকল ব্যক্তিৰ এবাৰো মনত নপৰে যে এনে কাৰ্য্যই আন জীৱকুলৰ লগতে আমাৰ নিজৰো বিপদ চপাই আনিছে। চাহাৰা মৰুভূমিৰ দাঁতিকাষৰীয়া ঠাইৰ অৰণ্য ধ্বংস হোৱা বাবে এই মৰুভূমিৰ মাটিকালি দিনক দিনে বাঢ়ি গৈ আছে। আমাৰ প্ৰদেশখনক মৰুভূমিত পৰিণত কৰিবলৈ হ'লে অতি সহজ উপায় হিচাপে ইয়াৰ অৰণ্যবোৰ ধ্বংস কৰি পেলালেই হ'ল।

অৰণ্যক প্ৰকৃতিৰ হাওঁফাওঁ বুলি ক'ব পাৰি। আমাৰ দেহত থকা হাওঁফাওঁৱে যেনেকৈ তেজত থকা কাৰ্বন-ডাই-অক্সাইড গেছখিনিক আঁতৰাই তাৰ ঠাইত অম্লজান গেছৰ যোগান দিয়ে ; তেনেদৰে অৰণ্যইও বায়ুমণ্ডলত থকা কাৰ্বন-ডাই-অক্সাইড গেছখিনিক আঁতৰাই তাৰ ঠাইত জীৱকুলৰ বাবে অতি প্ৰয়োজনীয় অম্লজান গেছৰ যোগান দিয়ে। অৰণ্য বিহীন পৃথিৱীখন হাওঁফাওঁ বিহীন মানৱ দেহ এটাৰ নিচিনা। এনে দেহ বাৰু কাৰোবাৰ বাবে কাম্য হ'ব পাৰেনে ? ইয়াৰ লগতে অৰণ্যই বায়ুমণ্ডললৈ অহৰহ যোগান দি থকা উদ্বায়ী তেলসমূহৰ দ্বাৰা হোৱা উপকাৰৰ কথা উল্লেখ নকৰিলোৱেই বাৰু। অৰণ্যই ইয়াৰ তৃণ-লতা-বৃক্ষ আদি নানা ধৰণৰ গছ -গছনিৰ শিপাৰ দ্বাৰা মাটিৰ পানী ধৰি ৰখাৰ ক্ষমতা বৃদ্ধি কৰি ইয়াক সদা জীপাল কৰি ৰাখে। অসমত অৰণ্য বেছি হোৱা বাবে ইয়াৰ মাটি আৰু বায়ুমণ্ডল দুয়োটাই সেমেকা ধৰণৰ। অৰণ্যত থকা বৃহৎ সংখ্যক গছ-গছনিয়ে প্ৰস্বেদনৰ সহায়ত বায়ুমণ্ডললৈ জলীয় বাষ্পৰ যোগান প্ৰক্ৰিয়াক সদা সক্ষম কৰি ৰাখে। এইদৰে ই জলচক্ৰতো এক বিশেষ ভূমিকা পালন কৰে। বিভিন্ন প্ৰাকৃতিক দুৰ্য্যোগ যেনে ভূমিস্খলন, ধুমুহা আদিৰ প্ৰভাৱ হ্ৰাস কৰাত অৰণ্যৰ ভুমিকা সৰ্বজন বিদিত। অৰণ্যহীন অসম এখনত বৰদৈচিলাই দেখুৱাব পৰা তাণ্ডৱলীলাৰ কথা কল্পনা কৰিলেই গাৰ নোম সিঁহৰি উঠে। অসমৰ কলা-সংস্কৃতি অৰণ্যৰ গাতে ঠন ধৰি উঠা বুলি ক'লেও বঢ়াই কোৱা নহ'ব যেন লাগে। আমাৰ বিহুগীত, বনগীত আদি সকলো ধৰণৰ গীত-মাত, বিয়া-সবাহ আদি সকলো উৎসৱ-পাৰ্ৱণ অৰণ্যৰ গাতে ভেজা দি সৃষ্টি হোৱা বুলি ক'ব পাৰি। কপৌফুল, বৰহমথুৰি, জেতুকা, দীঘলতি, মাখিয়তি, বিভিন্ন ধৰণৰ পাত-ফুল আদি বিহীন বিহুক কি বুলি আখ্যা দিব ? এই সকলোবিধেই জৈৱ-বৈচিত্ৰতাৰে একো একোটা সদস্যৰ পৰা প্ৰাপ্ত। ইহঁতৰ প্ৰত্যেকেই প্ৰত্যেকৰ লগত কিবা নহয় কিবা প্ৰকাৰে সংলগ্ন। খাদ্য শৃংখল, খাদ্য জাল, পৰিস্থিতি তন্ত্ৰ আদি শব্দবোৰে ইহঁতৰ এটাই আনটোৰ ওপৰত নিৰ্ভশীলতাকেই বুজায়। এটা নোহোৱা হৈ গ'লে আন কেইবাটাও কিছুদিনৰ ভিতৰতে নোহোৱা হৈ যোৱাৰ সম্ভাৱনা সদা বিৰাজমান। সেয়েহে, আমি অতি সাৱধানতাৰে আমাৰ পদক্ষেপ নিৰূপণ কৰিব লাগে। কাৰণ, এই সকলোবোৰৰ সমূহীয়া প্ৰভাৱেই হ'ল এখন ঠাইৰ জলবায়ুৰ মানদণ্ড নিৰূপক। যাৰ ওপৰত নিৰ্ভৰশীল -- আমাৰ খাদ্য, আমাৰ স্বভাৱ, আমাৰ নিজস্ব পৰিচয়।

জৈৱ-বৈচিত্ৰ্যক চহকী কৰাৰ প্ৰয়াস নকৰিলে আমাৰ কি ধৰণৰ ক্ষতি হ'ব পাৰে তাক বুজিবলৈ মাত্ৰ এটি ধাৰণা দিলেই হ'ব বুলি অনুভৱ হৈছে। ধৰি লোৱা হওক, আমাৰ এই পৃথিৱীৰ পৰা কিবা এবিধ গছ চিৰদিনৰ বাবে হেৰাই গ'ল। তাৰ বিলুপ্ত হোৱাৰ বিছ বছৰ মান পিছত বৈজ্ঞানিকসকলে ঠাৱৰ কৰিলে যে এইডছ বেমাৰৰ অব্যৰ্থ ঔষধ প্ৰস্তুত কৰিব পৰা সকলোবোৰ বৈশিষ্ট্যই সেই গছবিধৰ আছিল। তেতিয়া আমাৰ কেনে লাগিব বাৰু। বৰ্তমানে অকামিলা যেন লগা যিকোনো জীৱ এটাৰ ভৱিষ্যত ভূমিকা আমি যিহেতু সঠিককৈ উলিয়াব নোৱাৰো সেয়ে তাক মৃত্যুমুখলৈ ঠেলি নিদি জীয়াই থাকিবলৈ দিয়াটোহে বুদ্ধিমানৰ কাম হ'ব। আমি পাহৰি যোৱা উচিত নহ'ব যে, আজিৰ পৃথিৱীৰ আটাইতকৈ ডাঙৰ স্থলচৰ জীৱ হাতীৰ পূৰ্বপুৰুষৰ আকাৰ মাথোন ২৩ ইঞ্চিহে আছিল। জৈৱ-বিৱৰ্তনৰ ফলত ই বৰ্তমান বিশালাকাৰৰ

হাতী হৈছেগৈ। গতিকে ভৱিষ্যতে কি হ'ব নজনাকৈ এফালৰ পৰা সকলো ধ্বংস নকৰাটোৱে মানৱজাতিৰ বাবে মঙ্গলৰ হ'ব। জৈৱ-বৈচিত্ৰ্যতাই বন এখনৰ স্থিতিস্থাপকতা বৃদ্ধি কৰে। কোনো এটা প্ৰজাতিৰ অভাৱ পূৰণ কৰিবলৈ আন জীৱ এটাই সেই জীৱৰ ওপৰত ন্যস্ত থকা দায়িত্ব পালন কৰিব লাগিব। এয়া সম্ভৱ হ'ব পাৰে কেৱল জৈৱ-বৈচিত্ৰ্যৰে ধনী অৰণ্যতহে। এয়া অৰণ্যৰ কুপ্ৰভাৱৰ প্ৰতি থকা স্থিতিস্থাপক গুণ। জৈৱ-বৈচিত্ৰ্যত চহকী এখন অৰণ্যই কৃষকসকলক বিভিন্ন ধৰণে সহায় কৰে। পৰাগ সংযোগ, মাটিৰ অণুসাৰ তথা উৰ্ব্বৰতা বৃদ্ধি, মাটিৰ পানী ধৰি ৰখা ক্ষমতা বৃদ্ধি, জলচক্ৰক সঠিক গতি প্ৰদান, জলবায়ু পৰিৱৰ্তনত বাধা প্ৰদান আদি কৃষিৰ লগত জড়িত বহুতো মুখ্যকাৰ্য্য কেৱল অৰণ্যইহে কৰিব পাৰে। আজি অৰণ্যৰ বিষয়ে ইমান কথাৰ অৱতাৰণা কৰা হৈছে এইবুলিয়ে যে. আমাৰ কাৰ্য্যপন্থাৰ দ্বাৰাই এখন অৰণ্যৰ সৃষ্টি নাইবা ধ্বংস হ'ব পাৰে। আমাৰ অসমতে থকা ওৰাং ৰাষ্ট্ৰীয় উদ্যানখন মানুহৰ দ্বাৰা গছপুলি ৰোপন কৰি কৰিয়ে সৃষ্টি হোৱা এক সুন্দৰ অৰণ্য। আদিতে মানৱ প্ৰচেষ্টাত সৃষ্টি হ'লেও পিছলৈ ই সম্পূৰ্ণভাৱে প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা অৰণ্যৰ ৰূপ লয়গৈ। আনহাতে মানুহৰ কাৰ্য্যাৱলীৰ দ্বাৰা ধ্বংস হোৱা অৰণ্যৰ উদাহৰণো আমাৰ অসমখনতে বিৰাজমান।

উপৰিউক্ত আলোচনাৰ পৰা দেখা যায় যে — অৰণ্যসমূহ দিনক দিনে কমি যোৱাৰ ক্ষেত্ৰত যিবোৰ প্ৰধান কাৰণ আছে, তাৰ ভিতৰত বিশেষকৈ দুটা আমি সমগ্ৰ অসমতে বৰ্তমানে দেখা পাওঁ। (ক) অৰণ্যৰ পৰা যধেমধে সম্পদ সংগ্ৰহ আৰু (খ) মানুহে মাটিৰ বাবে অৰণ্যৰ লগত কৰা প্ৰতিযোগিতা।

এই দুয়োটা কাৰণকে উচ্ছেদ কৰিবলৈ হ'লে জনগণ সুশিক্ষিত হ'ব লাগিব। কেৱল পুথিগতভাৱেই নহয় - সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰতো। আমি প্ৰত্যেকেই প্ৰকৃতিৰ ভূমিকা তথা উদাৰতাক উপলব্ধি কৰিব পাৰিব লাগিব। আমাৰ সামাজিক চেতনা জাগ্ৰত কৰিব লাগিব। আমাৰ দায়িত্বৰ প্ৰতি সচেতন হ'ব লাগিব। সেয়েহে আহক, অসমবাসীৰ অৰণ্য সজাগতাৰ দ্বাৰাই আমাৰ দেশখনত এনে এক বিপ্লৱৰ সূচনা কৰোঁ - যাৰ দ্বাৰা জনসাধাৰণ শিক্ষিতহৈ ওৰাংৰ দৰে অৰণ্য গঢ়ি তোলাতহে ব্ৰতী হয় - সোণাই-ৰূপাইৰ দৰে অৰণ্য ধ্বংস কৰাত নহয়।

*(লেখক বিশ্বজিৎ গোস্বামী বিলাসীপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক। দূৰভাষ - ০৩৬৬৭২৯৯৯২৬ ই মেইল - goswami_bilasipara@rediffmail.com.)*

*GREEN LETTER OR SEUJ PATRIKA, an environmental Journal Book Published by Bilasipara Sub-Divisional Public Library in collaboration with Aranya Suraksha Samiti, Assam.*
*Address for Communication :- Bilasipara College Library, Bilasipara Dist. Dhubri (Assam) 783348*

**Price - Rs. 5/-**

**Chief Editor - Dr. Hari C. Das (Hon.)**
**Dial : 94351-25822 (M)**
**Editor - Biswajit Goswami**

***E-mail - grmjournaleditor@sify.com***

**PRINTED BY - GOPI OFFSET PRESS, BILASIPARA, Mobile - 94352-89565,**
**DTP BY - RAMANATH COMPUTER KENDRA, PUKHURIPARA, SALKOCHA**